CS (MAIN) Exam:2016

**M–ESC–U–ASM**

# ASSAMESE

PAPER—I

( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

## QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE.

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

---

# অসমীয়া

প্ৰশ্ন কাকত—**I**

( সাহিত্য )

সময় : 3 ঘণ্টা

মূল্যাঙ্ক : 250

## প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা**

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যিধৰণে দিয়া হৈছে, সেইধৰণে কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

## SECTION—A

**1.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

(a) ঐতিহাসিক দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।

(b) অসমীয়া গদ্য-সাহিত্যৰ জনক কোন? তেওঁৰ গদ্যৰ নমুনা দি বিশদভাৱে আলোচনা কৰা।

(c) অসমীয়া ভাষাত স্বৰ আৰু ব্যঞ্জনধ্বনি পৰিৱৰ্তনৰ দৃষ্টান্ত দি আলোচনা কৰা।

(d) অসমীয়া ভাষাত কি কি ভাষাৰ শাব্দিক প্ৰভাৱ পোৱা যায়, আলোচনা কৰা।

(e) ভাষা আৰু উপভাষাৰ মাজত কি সম্পৰ্ক আছে, আলোচনা কৰা।

**2.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) শব্দ সাধনত সহায় কৰা 10টা প্ৰত্যয় উল্লেখ কৰি ইহঁতৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। 25

(b) অসমীয়া ভাষাত প্ৰয়োগ হোৱা 10টা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। 25

**3.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া লিপিৰ বিকাশ সম্পৰ্কে ঐতিহাসিক দৃষ্টিভংগীৰে আলোচনা কৰা। 25

(b) আহোম যুগত প্ৰয়োগ হোৱা লিপিসমূহৰ বিৱৰণ দি ইয়াৰ বৈশিষ্ট্য উল্লেখ কৰা। 25

**4.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? ইহঁতৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণ দি আলোচনা কৰা। 25

(b) ক্ৰিয়া বুলিলে কি বুজায়? ৰূপতাত্ত্বিক দৃষ্টিৰে অসমীয়া ভাষাৰ ক্ৰিয়াৰ বিভাজন কৰি আলোচনা কৰা। 25

## SECTION—B

**5.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

(a) ৰোমান্টিক কবিতা আৰু সাম্প্ৰতিক কবিতাৰ মূল বৈশিষ্ট্য কি কি, লিখা।

(b) চুটিগল্প আৰু উপন্যাসৰ মাজত থকা পাৰ্থক্যসমূহ বিচাৰ কৰা।

(c) শোক কবিতা কি? উদাহৰণ দি আলোচনা কৰা।

(d) অসমীয়া শিশু সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(e) চৰ্যাগীতি কি, আলোচনা কৰা।

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) সাহিত্যত উত্তৰ-আধুনিকতাবাদ কি? অসমীয়া সাহিত্যত এই ধাৰাৰ উন্মেষ হৈছে নে নাই, বিচাৰ কৰা। 25

(b) ট্ৰেজেদী কি? ট্ৰেজেদী নাটকৰ লক্ষণ সম্পৰ্কে আলোচনা কৰা। 25

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) আধুনিক অসমীয়া কবিতাৰ প্ৰবাহ আৰু প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা। 25

(b) অসমীয়া সমালোচনা সাহিত্যৰ বিকাশ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা। 25

8. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

(a) শ্ৰীশ্ৰীশংকৰদেৱৰ অংকীয়া নাট সম্পৰ্কে এটি পৰ্যালোচনা আগবঢ়োৱা। 25

(b) শ্ৰীশ্ৰীমাধৱদেৱৰ বিৰচিত বৰগীতৰ বিষয় আৰু বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। 25

★★★